অধ্যায় ৩ ঃ অসমীয়া ভাষাৰ বিভক্তি আৰু প্ৰত্যয়

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ বিভক্তি আৰু প্ৰত্যয়

৩.৪ অসমীয়া ভাষাৰ বিভক্তিৰ শ্ৰেণী বিভাগ

৩.৪.১ শব্দ বিভক্তি বা কাৰক বিভক্তি

৩.৪.২ পুৰুষবাচক সম্বন্ধবাচক বিভক্তি

৩.৪.৩ ক্ৰিয়া বিভক্তি

৩.৫ অসমীয়া ভাষাৰ প্ৰত্যয়ৰ শ্ৰেণী বিভাগ

৩.৫.১ কৃৎ প্ৰত্যয় আৰু তদ্ধিৎ প্ৰত্যয়

৩.৫.২ নিৰ্দিষ্টতাবাচক প্ৰত্যয়

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্ৰগতিৰ খতিয়ান

৩.৯ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাষাৰ ৰূপতত্ত্ব দুটা গুৰুত্বপূৰ্ণ উপাদান— প্ৰত্যয় আৰু বিভক্তি কি, এইবোৰৰ কাম কি, আদি জানিব পাৰিব
- প্ৰত্যয় আৰু বিভক্তিৰ প্ৰকাৰভেদ সম্পৰ্কে জানিব পাৰিব।

৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি অসমীয়া ভাষাৰ ব্যাকৰণগত দিশ কেইটিমান অধ্যয়ন কৰিলে। এই অধ্যায়টোতো অসমীয়া ভাষাৰ ব্যাকৰণৰ আন দুটামান দিশ বিশেষভাৱে অধ্যয়ন কৰিব। ভাষাৰ ব্যাকৰণ হ'ল ভাষা এটাৰ গঠন সম্পৰ্কে বিতং ব্যাখ্যা। ভাষাৰ গঠনত ধ্বনিৰ পিছতে স্থান 'ৰূপ'-ৰ। এই ৰূপ (morph) হ'ল ব্যাকৰণে সামৰা বিষয়বোৰৰ ক্ষুদ্ৰতম অংশ। এক বা একাধিক ধ্বনি লগ লাগি 'ৰূপ' গঠন হয়। এটা বা একাধিক ৰূপ লগ লাগি শব্দ বা পদ গঠন হয়। ৰূপবোৰৰ নিজস্ব অৰ্থ থাকে। কেতিয়াবা এই অৰ্থ অভিধানত পোৱা যায়, কেতিয়াবা

অভিধানত নাপায়। অভিধানত নোপোৱা ৰূপবোৰবোৰো ব্যাকৰণগত অৰ্থ আছে। প্ৰত্যয় আৰু বিভক্তিবোৰ এনে কিছুমান ব্যাকৰণগত অৰ্থ থকা ৰূপ।

এই অধ্যায়টোত অসমীয়া ভাষাৰ বিভক্তি আৰু প্ৰত্যয় সম্পৰ্কে বহলাই আলোচনা দাঙি ধৰা হ'ল।

৩.৩ বিভক্তি আৰু প্ৰত্যয়

বিভক্তি আৰু প্ৰত্যয়ৰ বিষয়ে জানিবলৈ হ'লে আপুনি প্ৰথমে জানিব লাগিব 'ৰূপ' (morph) মানে কি? 'ৰূপ' হ'ল ভাষাৰ ক্ষুদ্ৰতম অৰ্থবহ গোট। 'মাহীয়েকহঁতলৈ' — এইটো এটা পদ। এই পদটো যদি আমি অৰ্থপূৰ্ণভাৱে খণ্ডিত কৰোঁ তেতিয়া হ'লে পাম — মাহী-এক-হঁত-লৈ, এই চাৰিওটা খণ্ডৰ নিজা নিজা অৰ্থ আছে। যেনে —

মাহী — সম্বন্ধবাচক বিশেষ্য শব্দ

-এক — তৃতীয় পুৰুষ বুজাবলৈ ব্যৱহাৰ (সম্বন্ধবাচক শব্দৰ পিছত) কৰা হয়।

-হঁত — এজনতকৈ বেছি বুজাবলৈ ব্যৱহাৰ কৰা হয়

-লৈ — নিমিত্ত অৰ্থ প্ৰকাশ কৰা হয়।

এনে অংশবোৰকে 'ৰূপ' বোলে। ওপৰৰ প্ৰতিটো খণ্ডই অৰ্থবহ আৰু ইহঁতক তাতকৈ আৰু সৰু কৰিলে অৰ্থ নোলায়। 'মা'-'হী' কৰিলে 'মা' আৰু 'হী'-ৰ অৰ্থ সংগতিপূৰ্ণ নহয়।

ওপৰৰ উদাহৰণটোত দেখা গ'ল 'মাহী' ৰূপটো নহ'লে বাকীকেইটাই অকলে বা একেলগে অৰ্থ প্ৰকাশ কৰিব নোৱাৰে। কিন্তু 'মাহী' ৰূপটো স্বতন্ত্ৰভাৱেও বাক্যত ব্যৱহাৰ হৈ অৰ্থবহ হ'ব পাৰে। এনেদৰে, যিবোৰ ৰূপে স্বতন্ত্ৰভাৱে বাক্যত ব্যৱহাৰ হ'ব পাৰে বা গুটীয়া অৰ্থ প্ৰকাশ কৰিব পাৰে সেইবোৰক 'মুক্তৰূপ' বোলে। আনহাতে -এক, -হঁত, -লৈ -ৰ দৰে ৰূপবোৰে স্বতন্ত্ৰভাৱে স্পষ্ট অৰ্থ প্ৰকাশ কৰিব নোৱাৰে। এনে ৰূপবোৰক 'যুক্তৰূপ' বোলে। যুক্তৰূপবোৰক সৰ্গও বোলে। সৰ্গবোৰ সদায় মুক্তৰূপৰ আগত বা পাছত লগ লাগে। মূল ৰূপবোৰ ***ধাতু*** বা ***নামশব্দ*** হ'ব পাৰে।

- **প্ৰত্যয় ঃ** প্ৰত্যয় হ'ল যুক্তৰূপৰে এটা ভাগ। যিবোৰ সৰ্গই মূল ৰূপৰ পাছত বহি নতুন নতুন শব্দ সৃষ্টি কৰিব পাৰে সেইবোৰকে প্ৰত্যয়বোলে। যেনে — 'ধান' এটা শব্দ। ধান + অনি > 'ধাননি' এটা নতুন শব্দ। গতিকে 'অনি' এটা প্ৰত্যয়।

  প্ৰত্যয় সংযোগৰ ফলত নামশব্দ এটা ধাতুলৈ ৰূপান্তৰ হ'ব পাৰে (যেনে — ভুকু + আ > ভুকুৰা) আৰু ধাতু এটাও নামশব্দলৈ ৰূপান্তৰ হ'ব পাৰে (যেনে— নাচ্ + অনি > নাচনী)। আকৌ, প্ৰত্যয় সংযোগত বিশেষ্যৰ পৰা বিশেষণ, বিশেষণৰ পৰা বিশেষ্য আদিও সাজিব পাৰি।

  প্ৰত্যয়বোৰ মূলৰূপ (মুক্তৰূপ)ৰ আগতো বহিব পাৰে, পাছতো বহিব পাৰে। আগত বহা প্ৰত্যয়বোৰক পূৰ্ব প্ৰত্যয় আৰু পাছত বহা প্ৰত্যয়বোৰক পৰপ্ৰত্যয় বোলা হয়।



ধাতু ঃ ক্ৰিয়াৰ মূলেই ধাতু। খালোঁ, কৰিছিলোঁ এই ক্ৰিয়াপদ দুটা ভাঙিলে পাম —

খালোঁ=খা-ল-ওঁ

কৰিছিলোঁ=কৰ-ইছ-ইল-ওঁ

ইয়াৰ, √খা আৰু √কৰ্ ধাতু।

নামশব্দ ঃ প্ৰাতিপদিকৰ পিছত বিভক্তি যোগ কৰি যি অৰ্থবোধক ৰূপ পোৱা যায় তাকে নামশব্দ বোলে। আনহাতে প্ৰাতিপদিক মানে যি বিলাক ৰূপে কোনো বস্তুক বুজায় বা বস্তুৰ বিশেষ অৱস্থা বুজায়। এক কথাত ক'ব পাৰি ধাতুৰ বাহিৰে আন সকলো শব্দই নামশব্দ। বিশেষ্য, বিশেষণ, সৰ্বনাম আদি নামশব্দৰে ভাগ।

পূৰ্ব প্ৰত্যয়ৰ উদাহৰণ ঃ অ + সময় > অসময়

অ + ধৰ্ম > অধৰ্ম

অন্ + উচিত > অনুচিত

আও + মৰণ > আওমৰণ

নি + লাজ > নিলাজ, ইত্যাদি।

পৰ প্ৰত্যয়ৰ উদাহৰণ ঃ খা + অন > খাৱন

খুন্দ + অনা > খুন্দনা


নাম + অনি > নামনি

পদুম + অনি > পদুমনি

ফুল + অতি > ফুলতী

আগ + অলি > আগলি, ইত্যাদি।

- **বিভক্তি ঃ** বিভক্তিবোৰ বহল অৰ্থত যুক্তৰূপ বা সৰ্গ। বিভক্তিবোৰ মুক্তৰূপ (ধাতু বা নামশব্দ)-ৰ পাছত প্ৰত্যয়ৰ দৰেই লগ লাগে। বিভক্তিবোৰ কিন্তু মুক্তৰূপৰ আগত লগ নালাগে। বিভক্তিবোৰে নতুন শব্দ সাজিব নোৱাৰে; কিন্তু বাক্য এটাৰ পদবোৰৰ মাজত সম্বন্ধ স্থাপন কৰে। উদাহৰণস্বৰূপে, — 'যাদৰে হৃশীকেশক সুধিলে' — এই বাক্যটোত 'যাদৰে' পদত (যাদৱ-এ) এটা -এ আৰু 'হৃশীকেশ' পদত -ক নাথাকিলে বাক্যটোৰ অৰ্থই নোলায়। অৰ্থাৎ, '-এ' আৰু '-ক' -ই 'যাদৱ' আৰু 'হৃশীকেশ' পদ দুটাক 'সুধিলে' ক্ৰিয়াপদৰ লগত সংগতি স্থাপন কৰিছে। গতিকে, -এ আৰু -ক দুটা বিভক্তি। অৰ্থাৎ, যিবোৰ যুক্তৰূপে বাক্যত পদৰ সংগতি স্থাপন কৰে সেইবোৰকে বিভক্তি বোলে। পৰৱৰ্তী শাখাত বিভক্তিৰ বিভিন্ন ভাগবোৰৰ আলোচনা কৰা হৈছে।



জানি থোৱা ভাল

বিভক্তিবোৰ মুক্তৰূপৰ পিছত পোনে পোনে লগ লাগিব পাৰে; যেনে— খা-ওঁ (-ওঁ এটা বিভক্তি)। কেতিয়াবা মুক্তৰূপত প্ৰত্যয় সংযোগ হোৱাৰ পিছতো বিভক্তি যোগ হ'ব পাৰে। যেনে— খা-ল-ওঁ (-ল — এটা প্ৰত্যয়)।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰূপ মানে কি?

.....

.....

প্ৰশ্ন নং ২ ঃ প্ৰত্যয় মূলৰূপৰ লগত ক'ত ক'ত বহিব পাৰে?

.....

৩.৪ অসমীয়া ভাষাৰ বিভক্তিৰ শ্ৰেণী বিভাগ

অসমীয়া ভাষাৰ বিভক্তি মুখ্যতঃ পাঁচবিধ—

- শব্দ বিভক্তি বা কাৰক বিভক্তি
- পুৰুষবাচক সম্বন্ধবাচক বিভক্তি
- পুৰুষবাচক ক্ৰিয়া বিভক্তি
- অসমাপিকা ক্ৰিয়াপদ সাধনৰ বিভক্তি (এটা)
- কেৱল জতুৱা প্ৰয়োগত ব্যৱহৃত কৰ্মবাচ্য বিভক্তি (এটা)

৩.৪.১ শব্দ বিভক্তি বা কাৰক বিভক্তি

যিবোৰ বিভক্তিয়ে বাক্যৰ পদবোৰৰ লগত ক্ৰিয়াৰ সংগতি স্থাপন কৰে সেইবোৰেই শব্দ বিভক্তি বা কাৰক বিভক্তি। অসমীয়াত শব্দ বিভক্তি ছটা —

প্ৰথমা	ঃ	-এ	দ্বিতীয়া	ঃ	-ক
তৃতীয়া	ঃ	-ৰে	চতুৰ্থী	ঃ	-লৈ
ষষ্ঠী	ঃ	-ৰ	সপ্তমী	ঃ	-ত

অসমীয়াত পঞ্চমী বিভক্তি নাই। 'পৰা' বিভক্তি নহয়; সি অনুপদহে। যেনে— 'ৰামৰ পৰা আনিছোঁ।' ইয়াত 'ৰাম' পদৰ পিছত '-ৰ' (ষষ্ঠী বিভক্তি) যোগ নহ'লে পৰাই 'ৰাম' আৰু 'আনিছোঁ' পদ দুটাৰ সম্বন্ধ ঘটাব নোৱাৰে।

মন কৰিব যে, ক্ৰিয়াৰ লগত যাৰ সম্বন্ধ ঘটে সিয়েই কাৰক। যেনে— ৰামে খায়। 'ৰামে' পদৰ লগত 'খায়' ক্ৰিয়াৰ সম্বন্ধ ঘটিছে। সম্বন্ধ ঘটাইছে -এ বিভক্তিটোৱে। ৰাম খায় — বুলিলে অৰ্থ নোলায়, অৰ্থাৎ সম্বন্ধ নঘটে। -এ যোগ কৰি 'ৰামে' কৰিলেহে সংগতিপূৰ্ণ হয়। সেয়ে '-এ' এটা বিভক্তি। ই কাৰক নিৰ্দেশ কৰিছে বাবে ইয়াক কাৰক বিভক্তি বোলে। আনহাতে কাৰক বিভক্তিবোৰ নামশব্দত লগ লাগি শব্দবোৰক ক্ৰিয়াপদৰ লগত সম্বন্ধ ঘটায় বাবে ইয়াক শব্দ বিভক্তিও বোলে।

এই বিভক্তিবোৰ ব্যঞ্জনান্ত শব্দৰ শেষত যোগ হ'লে প্ৰথমা '-এ' ৰ বাহিৰে বিভক্তিবোৰৰ ৰূপ সামান্য সলনি হয়। যেনে —

হৰি - ক > হৰিক 'হৰি' স্বৰান্ত বাবে '-ক' লগ লাগিছে আৰু

কিন্তু, ৰাম - অক > ৰামক 'ৰাম' ব্যঞ্জনান্ত বাবে -অক লগ লাগিছে। গতিকে, স্বৰান্ত - ব্যঞ্জনান্ত শব্দ অনুসৰি বিভক্তিবোৰৰ দুটাকৈ ৰূপ পাও—

তালিকা ৩.১ ঃ স্বৰান্ত - ব্যঞ্জনান্ত শব্দ অনুসৰি বিভক্তিবোৰৰ ৰূপ

	স্বৰান্ত শব্দত	ব্যঞ্জনান্ত শব্দত
১মা	-এ	-এ
২য়া	-ক	-অক
৩য়া	-ৰে	-এৰে
৪র্থী	-লৈ	-অলৈ
৬ষ্ঠী	-ৰ	-অৰ
৭মী	-ত	-অত

এই বিভক্তিবোৰে কাৰক নির্দেশ কৰে।

যি ক্রিয়াটো সম্পন্ন কৰে সিয়েই কর্তা কাৰক। ১মা বিভক্তি -এ যোগ দি কর্তাৰ অর্থ প্রকাশ কৰা হয়। যেনে— ৰাম -এ কৰিছে।

কর্তাই যি কৰে সিয়ে কর্ম। দ্বিতীয়া বিভক্তি -ক/-অক যোগ দি কর্ম কাৰকৰ বোধ জন্মোৱা হয়। যেনে — মানুহ-ক সুধিছে।

কর্তাই যাৰ দ্বাৰা ক্রিয়া সম্পন্ন কৰে সিয়েই কৰণ কাৰক। ৩য়া বিভক্তি -ৰে/ -এৰে যোগ দি কৰণৰ বোধ জন্মোৱা হয়। যেনে — কটাৰী-এ কাটিছে।

অসমীয়াত সম্প্রদান কাৰক নাই। মন কৰিব যে, সংস্কৃতত দান দিয়া অর্থত সম্প্রদান কাৰক ব্যৱহাৰ হয়। অসমীয়াত দান দিয়া অর্থত কর্ম কাৰক হে হয় যেনে — ভিক্ষাৰী-ক দান দিবা। কিন্তু অসমীয়াত প্রতি, নিমিত্ত অর্থত সম্প্রদানৰ লেখীয়া সম্বন্ধ ঘটে। এই কাৰকটোক সেয়ে নিমিত্ত কাৰকহে বোলা হয়। যেনে — (ঘৰৰ নিমিত্তে অর্থত) ঘৰ-লৈ গ'ল। চতুর্থী বিভক্তি -লৈ যোগ দি নিমিত্ত কাৰকৰ অর্থ প্রকাশ কৰা হয়।

অসমীয়াত ষষ্ঠী '-ৰ' ৰ পাছত 'পৰা' অনুপদ যোগ দি অপাদান কাৰকৰ অর্থ প্রকাশ কৰা হয়। যেনে — ঘৰ-ৰ পৰা আনিছোঁ।



জানি থোৱা ভাল

- অসমীয়া ভাষাৰ কাৰকৰ বিভক্তি সংখ্যা সংস্কৃতৰ দৰে একে হ'লেও বিভক্তি আৰু কাৰকবোৰ বেলেগ বেলেগ।
- সংস্কৃত ব্যাকৰণ অনুসৰি অপাদান কাৰক মানে যাৰ বা যিহৰ পৰা বিশ্লেষ বা পৃথক হয় সিয়েই অপাদান কাৰক। অসমীয়াত কথাটো উদাহৰণৰ দ্বাৰা বুজি ল'ব লাগে। সূত্র পঢ়ি বুজিব নোৱাৰি।
- সম্বন্ধ পদত ক্রিয়াৰ লগত সম্বন্ধ নহৈ দুটা পদৰ মাজতহে সম্বন্ধ ঘটে। সেয়ে তাক সম্বন্ধ কাৰক বুলি নকৈ সম্বন্ধ পদহে বোলা হৈছে।

স্থান, কাল আৰু পাত্ৰ যিহৰ আধাৰ বা আশ্ৰয়ত ক্ৰিয়া সম্পাদিত হয় সেইটোৱেই অধিকৰণ কাৰক। সপ্তমী বিভক্তি -ত/-অত যোগ দি অধিকৰণ অৰ্থ প্ৰকাশ কৰা হয়। যেনে —

সি ঘৰ -ত নাই।

আনন্দ -ত নাচিছে।

অতীত -ত এনে নাছিল।

সাহিত্য -ত নিপুণ।

ৰামৰ হাত -ত নাই। ইত্যাদি।

সম্বন্ধৰ বোধ জন্মিলে সম্বন্ধপদ হয়। সম্বন্ধপদত ষষ্ঠী '-ৰ' বিভক্তি লগ লাগে। যেনে — ৰাম -ৰ ভায়েক। স্কুলৰ শিক্ষক, ইত্যাদি।

- *শূন্য বিভক্তি ঃ* ওপৰৰ কাৰকবোৰৰ আলোচনাত দেখা যায় যে বিভক্তি নোহোৱাকৈ কাৰকৰ বোধ হ'ব নোৱাৰে। কিন্তু, সি ভাত খালে — বাক্যটোত কৰ্ম কাৰক 'ভাত' - ত '-ক' বিভক্তি লগ লগা নাই। -ক লগ নালাগিল যদিও বাক্যটো ভুল নহয়। যদি বিভক্তি নহ'লে কাৰক হ'ব নোৱাৰে, তেন্তে 'সি ভাত খালে' বাক্যটোতো কৰ্ম কাৰকৰ বোধ হ'ব নালাগিছিল। কিন্তু -ক/-অক লগ নলগাকৈ কৰ্ম কাৰকৰ বোধ হৈছে যেতিয়া তাত নিশ্চয় কাৰক লগ লাগিছে বুলি ধৰিব লাগিব। সেইবাবে তাত এটা শূন্য বিভক্তি লগ লাগিছে বুলি ভবা হয়। চকুৰে নেদেখা, কাণেৰে নুশুনা এনে বিভক্তিবোৰেই শূন্য বিভক্তি।

৩.৪.২ পুৰুষবাচক সম্বন্ধবাচক বিভক্তি

যিবোৰ বিভক্তিৰ দ্বাৰা সম্বন্ধবাচক শব্দৰ পুৰুষৰ বোধ জন্মে সেইবোৰেই পুৰুষবাচক সম্বন্ধবাচক বিভক্তি। এই বিভক্তিবোৰ— ক) সদায় সম্বন্ধবাচক শব্দৰ লগতহে লগ লাগে। খ) এইবোৰে সম্বন্ধবাচক শব্দটো কোন পুৰুষৰ (১ম পুৰুষ, দ্বিতীয় পুৰুষ, ৩য় পুৰুষ) তাৰ নিৰ্দেশ কৰে। যেনে —

মোৰ	মা (-০ (শূন্য বিভক্তি))
তোৰ	মাৰ (-ৰ/-এৰ)
তোমাৰ	মাৰা (-ৰা/-এৰা)
তাৰ/তাইৰ	মাক (-ক/-এক)

মা, দেউতা, বাই, ভনী, পেহা আদি সম্বন্ধবাচক শব্দত এই বিভক্তিবোৰ লগাই কথা কোৱাটো অসমীয়া ভাষাৰ এটা ডাঙৰ বৈশিষ্ট্য। তলত এখন তালিকা দিয়া হ'ল—

তালিকা ৩.২ ঃ সম্বন্ধবাচক শব্দত যোগ হোৱা বিভক্তি

সংখ্যা	পুৰুষ	বিভক্তিৰ চিন		উদাহৰণ	
		আ-স্বৰান্ত শব্দৰ পিছত	আ-ৰ বাহিৰে আন স্বৰান্ত শব্দৰ পিছত	আ-স্বৰান্তৰ পিছত	-আ ভিন্ন শব্দৰ পিছত
১	প্ৰথম পুৰুষ	-০ (শূন্য)	-০ (শূন্য)	মা	পেহী
২	মধ্যম বা দ্বিতীয় (মান্য)	-ৰা	-এৰা	মাৰা	পেহীয়েক
৩	মধ্যম বা দ্বিতীয় পুৰুষ (তুচ্চ)	-ৰ	-এৰ	মাৰ	পেহীয়েৰ
৪	তৃতীয় পুৰুষ	-ক	-এক	মাক	পেহীয়েক

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ৩ ঃ অসমীয়াত শব্দ বিভক্তি কেইটা?

.....

.....

প্ৰশ্ন নং ৪ ঃ পুৰুষবাচক সম্বন্ধবাচক বিভক্তি কাক বোলে?

.....

৩.৪.৩ ক্ৰিয়া বিভক্তি

ক্ৰিয়াপদ গঠন কৰা বিভক্তিবোৰেই ক্ৰিয়া বিভক্তি। এতিয়া প্ৰশ্ন হ'ব পাৰে ক্ৰিয়াপদ মানে কি? যি পদে কোনো কাম কৰা, হোৱা বা হৈ থকা বুজায় সেইবোৰে ক্ৰিয়া পদ। ক্ৰিয়াপদ দুই প্ৰকাৰ — (ক) সমাপিকা ক্ৰিয়াপদ আৰু (খ) অসমাপিকা ক্ৰিয়াপদ। মনত ৰাখিবলগীয়া ক্ৰিয়া বিভক্তিবোৰ কেৱল সমাপিকা ক্ৰিয়াপদতহে লগ লাগে। ক্ৰিয়া বিভক্তিবোৰৰ লগত কালৰ সম্পৰ্ক নাই। ক্ৰিয়া বিভক্তিবোৰে ক্ৰিয়াপদৰ পুৰুষ নিৰ্দেশ কৰে। যেনে—

প্ৰথম পুৰুষ — (মই) খা - ওঁ (খাওঁ)

দ্বিতীয় পুৰুষ (মান্য) (তুমি) খো - আ (খোৱা)

সমাপিকা ক্ৰিয়াপদ হ'বলৈ ক্ৰিয়াবিভক্তি অপৰিহাৰ্য।

অসমীয়া ভাষাৰ ক্ৰিয়া বিভক্তিবোৰক এনেদৰে দেখুওৱা হয়—

প্ৰথম পুৰুষ — ওঁ, -ইম/-ম

দ্বিতীয় পুৰুষ

মান্য — -আ

তুচ্চ — -০, -অ, -ই

তৃতীয় পুৰুষ — (ক) অ/আ স্বৰান্ত ধাতুত -ওক/-য়

(খ) ব্যঞ্জনান্ত আৰু অন্য স্বৰান্ত ধাতুত -অক/-এ, -০



জানি থোৱা ভাল

ক্ৰিয়া বিভক্তিসমূহ ভালদৰে বুজিবলৈ 'ধাতু', 'কাল' আৰু 'পুৰুষ'ৰ ধাৰণা থাকিব লাগিব। ক্ৰিয়াৰ মূলেই ধাতু। কৰ্, খা, যা, ধৰ, দেখ, ইত্যাদি ধাতু। সাধাৰণ অৰ্থত ক্ৰিয়া সম্পন্ন হোৱা সময়েই কাল। কাল তিনিটা — অতীত, বৰ্তমান আৰু ভৱিষ্যৎ। বৰ্তমান মুহূৰ্তৰ পৰা পাৰহৈ যোৱা সময়খিনিয়েই অতীত। আহিবলগীয়া সময়খিনিয়েই ভৱিষ্যৎ। অতীত কালৰো দুটা ভাগ।

একেটা কালৰে বিভিন্ন মুহূৰ্তও ক্ৰিয়াপদে বুজাব পাৰে। যেনে — 'মই কৰোঁ', 'মই কৰিছোঁ'— দুয়োটাই বৰ্তমান কালৰ বাক্য। আকৌ, 'মই কৰিলোঁ', 'মই কৰিছিলোঁ' দুয়োটাই অতীত কালৰ দুটা মুহূৰ্ত বুজাইছে। এই মুহূৰ্ত বুজোৱা অৱস্থাটোক 'দশা' বোলে।

'পুৰুষ' সহজভাৱে বুজিবলৈ হ'লে — 'মই' প্ৰথম পুৰুষ

'তুমি' দ্বিতীয় পুৰুষ (মান্য অৰ্থত)

'তই' দ্বিতীয় পুৰুষ (তুচ্চাৰ্থত)

সি/তাই/ৰাম, হৰি, যদু ইত্যাদি সকলো তৃতীয় পুৰুষ।

অসমীয়া ভাষাত ক্ৰিয়াৰ দুটা ভাব আছে — আদেশ, অনুৰোধ আদি অৰ্থত ক্ৰিয়াৰ ভাবক 'অনুজ্ঞা ভাব' বোলে। যেনে — 'তুমি পঢ়া'। কাল অনুসৰি, পুৰুষ অনুসৰি কোনো কাৰ্য প্ৰকাশ কৰা ভাবক নিৰ্দেশক ভাব বোলে। অসমীয়াত কাল পাঁচটা। তলত কাল অনুসৰি ক্ৰিয়া বিভক্তিবোৰ দেখুওৱা হ'ল —

তালিকা ৩.৩ ঃ কাল অনুসৰি অসমীয়া ভাষাৰ ক্ৰিয়া বিভক্তিবোৰ

কাল	ভাব	প্ৰথম পুৰুষ	দ্বিতীয় পুৰুষ		তৃতীয় পুৰুষ	
			মান্য	তুচ্চ	অ/আ কাৰান্ত ধাতুত	ব্যঞ্জনান্ত আৰু অন্য স্বৰান্ত ধাতুত
বৰ্তমান কাল	অনুজ্ঞা ভাব	-	আ	০	-ওক	-অক
	নিত্য বৰ্তমান	-ওঁ	আ	অ	য়	-এ
	স্বৰূপ বৰ্তমান	-ওঁ	আ	অ		-এ
ভূত বা অতীত কাল	স্বৰূপ ভূত	-ওঁ	আ	ই		-এ/-০
	অপূৰ্ণ ভূত কাল	-ওঁ	আ	ই		-০
ভৱিষ্যৎ		-ইম/-ম	আ	ই	-০	-০

তালিকাখনৰ পৰা দেখিলোঁ অসমীয়া ভাষাৰ ক্ৰিয়া বিভক্তিবোৰ কাল অনুসৰি সলনি নহৈ পুৰুষ অনুসৰিহে হয় —

১ম পুৰুষৰ ক্ৰিয়া বিভক্তি -ওঁ, -ইম/-ম
২য় পুৰুষৰ (মান্য) ক্ৰিয়া বিভক্তি -আ
২য় পুৰুষৰ (তুচ্চ) ক্ৰিয়া বিভক্তি - ০, -অ, -ই
৩য় পুৰুষৰ ক্ৰিয়া বিভক্তি -ওক-/য়, -অক/-এ/-০

উদাহৰণসহ বুজিবলৈ চেষ্টা কৰক ঃ (√খা ধাতুৰে গঠিত ক্ৰিয়াপদত)

১) মই (১ম পুৰুষ) খাওঁ, খাইছোঁ, খালো, খাম
২) তুমি (২য় পুৰুষ মান্যাৰ্থ) খোৱা, খাইছা, খালা, খাবা
৩) তই (২য় পুৰুষ তুচ্চাৰ্থ) খাৱ, খাইছ, খালি, খাবি
৪) সি/তাই (৩য় পুৰুষ) খায়, খাইছে, খালে, খাব।

১ নং উদাহৰণত পোৱা খাওঁ (খা-ওঁ) নিত্য বৰ্তমান কালৰ ক্ৰিয়া
খাইছোঁ (খা-ইছ-ওঁ) স্বৰূপ বৰ্তমান কালৰ ক্ৰিয়া
খালো (খা-ল-ওঁ) স্বৰূপ ভূত কালৰ ক্ৰিয়া
খাইছিলো (খা-ইছ-ইল-ওঁ) অপূৰ্ণ ভূত কালৰ ক্ৰিয়া

খাম (খা-ম) ভৱিষ্যৎ কালৰ ক্ৰিয়া।

দেখা গ'ল, ক্ৰিয়াপদটো যি কালতে নাথাকক -ওঁ লাগিবই। কাৰণ আটাইকেইটা ক্ৰিয়াপদ প্ৰথম পুৰুষৰ। (একেদৰে ২, ৩, ৪ নং উদাহৰণত বিভক্তিৰ অপৰিহাৰ্যতা বুজিবলৈ চেষ্টা কৰক।

খা-ল-ওঁ (খালোঁ) - ক্ৰিয়াপদটোত থকা -ল -টো অতীত কালবাচক প্ৰত্যয়। কিন্তু খা-ইছ-ইল-ওঁ (খাইছিলোঁ) ক্ৰিয়াপদত থকা -ইছ -টো দশা বাচক প্ৰত্যয়। '-ইছ'-টোৱে কাল নুবুজায়; বৰং একেটা কালৰে দুটা অৱস্থা বুজায়।

যেনে — ১) খা-ইছ-ওঁ (খাইছোঁ) — বৰ্তমান কাল

২) খা-ইছ-ইল-ওঁ (খাইছিলো — অতীত কাল

৩) খা-ল-ওঁ (খালোঁ) — অতীত কাল।

১) আৰু ২) নং উদাহৰণত 'ইছ' আছে কিন্তু কাল বেলেগ।

২) আৰু ৩) নং উদাহৰণৰ ক্ৰিয়াপদ দুয়োটাই অতীত কালৰ; কিন্তু

৩) নং উদাহৰণত 'ইছ' নাই। মানে, ২) নং উদাহৰণৰ -ইছ- টোৱে অতীত কালৰে এটা অৱস্থা বুজাইছে।

অসমাপিকা ক্ৰিয়াপদে বাক্য শেষ কৰিব নোৱাৰে। অসমাপিকা ক্ৰিয়াপদত উপৰিউক্ত ক্ৰিয়া বিভক্তিবোৰ লগ নালাগে। যেনে— ভাত খাই স্কুললৈ গ'লো। বাক্যটোত 'খাই' অসমাপিকা ক্ৰিয়া। অসমাপিকা ক্ৰিয়াত ধাতুৰ পিছত পোনে পোনে -ই বিভক্তি লগ লাগে। খা-ই > খাই

চা-ই > চাই

শুন-ই > শুনি ইত্যাদি।

মন কৰিব যে, অসমীয়া ভাষাত অসমাপিকা ক্ৰিয়াবিভক্তি মাত্ৰ এটা— '-ই'



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ অসমীয়া ভাষাত ক্ৰিয়াৰ ভাব কেইটা?

.....

প্ৰশ্ন নং ৬ ঃ অসমাপিকা ক্ৰিয়াপদে বাক্য শেষ কৰেনে?

.....

৩.৫ অসমীয়া ভাষাৰ প্ৰত্যয়ৰ শ্ৰেণী বিভাগ

আগতে পাই আহিছোঁ, প্ৰত্যয়বোৰ ধাতু বা নামশব্দৰ পিছত লগ লাগিব পাৰে। এইবোৰে নতুন নতুন শব্দ সাজে। প্ৰত্যয় মূলত দুই প্ৰকাৰৰ— (ক) কৃৎ প্ৰত্যয় (খ) তদ্ধিৎ প্ৰত্যয়। তদুপৰি নতুন শব্দ সাজিব নোৱাৰিলেও শব্দত অতিৰিক্ত অৰ্থ দান কৰিব পৰা আন তিনিবিধ প্ৰত্যয়

আছে— (ক) নির্দিষ্টতাবাচক প্রত্যয়, (খ) বচনবাচক প্রত্যয়, (গ) লিংগবাচক প্রত্যয়।

৩.৫.১ কৃৎ প্রত্যয় আৰু তদ্ধিৎ প্রত্যয়

যিবোৰ প্রত্যয় ধাতুৰ পিছত লগ লাগি নতুন ধাতু বা নামশব্দ সাজে, সেইবোৰ প্রত্যয়ক কৃৎ প্রত্যয় বোলা হয়। তলত কিছু উদাহৰণ দাঙি ধৰা হ'ল —

ৰো - অতী > ৰোৱতী ক্ষীৰা - অতী > ক্ষীৰতী	'-অতী' প্রত্যয় যোগ হৈছে
উৰ্ - অন > উৰণ নাচ - অন > নাচন খা - অন > খাৱন	'-অন' প্রত্যয় ধাতুৰ পিছত যোগ হৈ বিশেষ্য শব্দ সাজিছে
খুন্দ - অনা > খুন্দনা বাজ্ - অনা > বাজনা	'-অনা' প্রত্যয় ধাতুৰ পিছত যোগ হৈ বিশেষ্য শব্দ সাজিছে
কঁপ্ - অনি > কঁপনি ঢাক - অনি > ঢাকনি বুজ - অনি > বুজনি	'-অনি' প্রত্যয় ধাতুৰ পিছত যোগ হৈ বিশেষ্য শব্দ সাজিছে
দেখ্ - অনিয়াৰ > দেখনিয়াৰ দা - অনী > দাৱনী খোজ - অনীয়া > খোজনীয়া	'-অনিয়াৰ', '-অনী', '-অনীয়া' - প্রত্যয় তিনিটাই বিশেষ্য আৰু বিশেষণ শব্দ সাজে

নামশব্দৰ পিছত বহি নতুন নতুন বিশেষ্য বিশেষণ বা ধাতুশব্দ সজা প্রত্যয়বোৰক 'তদ্ধিৎ প্রত্যয়' বোলা হয়। যেনে—

ভুকু - আ > ভুকুৰা চৰ - আ > চৰা	'-আ' প্রত্যয় যোগত নতুন ধাতু নির্মাণ হৈছে
খেতি - অক > খেতিয়ক বুধি - অক > বুধিয়ক	'-অক' প্রত্যয় যোগত 'খেতি' আৰু 'বুধি' বিশেষ্য শব্দ দুটাৰ পৰা আন দুটা বিশেষ্য-বিশেষণ শব্দ পালো — খেতিয়ক আৰু বুধিয়ক
ঔ - অনি > উৱনি কাঠ - অনি > কাঠনি ভাল - অৰি > ভালৰি	'-অনি' আৰু '-অৰি' প্রত্যয়ৰ যোগত ঔৱনি, কাঠনি, ভালৰি এই তিনিটা নতুন শব্দ পালো

একেদৰে, ফুল - অনি > ফুলনি
শাক - অনি > শাকনি
নাও - অৰীয়া > নাৱৰীয়া
বাট - অৰুৱা > বাটৰুৱা, ইত্যাদি।

৩.৫.২ নিৰ্দিষ্টতাবাচক প্ৰত্যয়

কোনো প্ৰাণী, বস্তু আৰু বিষয়ক নিৰ্দিষ্টকৈ বুজাবলৈ নামশব্দৰ পিছত কিছুমান প্ৰত্যয় যোগ দিয়া হয়। যেনে —

মানুহ — মানুহজন

'মানুহ আহিছে' বুলিলে মানুহ কেইজন আহিছে, কোন মানুহ আদিবোৰ স্পষ্ট নহয়। কিন্তু 'মানুহজন' বুলিলে বুজি পাওঁ — এজন মানুহ আহিছে। দ্বিতীয়তে বুজি পাওঁ বিশেষ মানুহজন আহিছে। এই প্ৰত্যয়বোৰে বচন, লিংগ আদিৰো ধাৰণা দিব পাৰে। এনে প্ৰত্যয়বোৰক নিৰ্দিষ্টতাবাচক প্ৰত্যয় বোলে।

অসমীয়া ভাষাত তিনিকুৰিতকৈও অধিক নিৰ্দিষ্টতাবাচক প্ৰত্যয় আছে। সেইবোৰৰ কিছুমান হ'ল — জন, জনী, টো, খন, ডাল, পাট, চটা, গছ, খিলা, যোৰ, যুৰি, হাল, কোছা, মুঠা, আখি, টুপি, থোপা, থোকা ইত্যাদি।

এই নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰ যোগ হৈ প্ৰাণী বা বস্তুটোৰ আকৃতি-প্ৰকৃতিৰ ধাৰণা দিয়ে। যেনে — 'খন' নিৰ্দিষ্টবাচক প্ৰত্যয়টোৱে বহল চেপেটা অৰ্থ প্ৰকাশ কৰে (কিতাপখন, নদীখন, ডলাখন ইত্যাদি)। কেতিয়াবা একে আকৃতিৰ দুটা বস্তু বুজাবলৈ দুটা বেলেগ বেলেগ প্ৰত্যয় ব্যৱহাৰ কৰা হয়। যেনে — কলমটো, পেঞ্চিলডাল। কেতিয়াবা আকৌ আকৃতিৰ ফালৰ পৰা মিল নথকা দুটা বস্তু বুজাবলৈ একেটা প্ৰত্যয়কে ব্যৱহাৰ কৰা হয়। যেনে — হাতখন, চকীখন। সেয়ে, এই প্ৰত্যয়বোৰৰ ব্যৱহাৰ ৰূপ সাপেক্ষ বোলা হয়।

নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰ সকলো বিশেষ্য কিছুমান বিশেষণ, সৰ্বনাম আৰু সকলো সংখ্যাবাচক শব্দৰ পিছত যোগ হয়।

প্ৰসংগক্ৰমে উল্লেখ কৰি থোৱা হ'ল যে, বচনবাচক প্ৰত্যয় আৰু লিংগবাচক প্ৰত্যয় সম্পৰ্কে চতুৰ্থ অধ্যায়ত বহলাই আলোচনা কৰাৰ বাবে ইয়াত আলোচনা কৰা নহ'ল।



জানি থোৱা ভাল

নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰে -অনি (ধান-অনি) -উৱা (ধৰুৱা) প্ৰত্যয়ৰ দৰে নতুন অৰ্থবাচক শব্দ গঠন নকৰে। ইবোৰে শব্দটোৰ অতিৰিক্ত অৰ্থহে বুজায়। সেয়ে এইবোৰক বিভক্তিমূলক প্ৰত্যয় বোলা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ নিৰ্দিষ্টতাবাচক প্ৰত্যয় কাক বোলে?

.....



৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিভক্তি আৰু প্ৰত্যয় দুয়োবিধেই মূলতঃ ৰূপ।
- বিভক্তিবোৰ পদ গঠনৰ সৰ্গ আৰু প্ৰত্যয়বোৰ শব্দ গঠনৰ সৰ্গ।
- শব্দ বিভক্তিবোৰে কাৰক নিৰ্ণয় কৰে।
- পুৰুষবাচক সম্বন্ধবাচক বিভক্তিবোৰৰ ব্যৱহাৰ অসমীয়া ভাষাৰ স্বকীয়তাসূচক।
- ক্ৰিয়া বিভক্তিবোৰে সদায় ক্ৰিয়াপদ গঠন কৰে। এইবোৰে ক্ৰিয়া পদৰ পুৰুষ নিৰ্দেশ কৰে।
- ধাতুৰ পিছত লগ লগা প্ৰত্যয়বোৰেই কৃৎ প্ৰত্যয়। আনহাতে, নামশব্দৰ পিছত লগ লগা প্ৰত্যয়বোৰেই তদ্ধিৎ প্ৰত্যয়।



৩.৭ অধিক জানিবলৈ

১) কাকতি, বাণীকান্ত (১৯৯৬); *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ;* (হাজৰিকা, বিশ্বেশ্বৰ অনুঃ); বৰপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি (প্ৰথম প্ৰকাশ ১৯৪১)।

২) গোস্বামী, উপেন্দ্ৰনাথ (২০০০); *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেঞ্চি।

৩) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৭); *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৪) গোস্বামী, উপেন্দ্ৰনাথ (১৯৯৩); *ভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৫) গোস্বামী, গোলোকচন্দ্ৰ (২০০৮); *ধ্বনিবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৬) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

৭) মৱল, ভগৱান (১৯৯৮); *আধুনিক ভাষাবিজ্ঞান;* গুৱাহাটী ঃ পঞ্চজ্যোতি প্ৰকাশ।

৮) Goswami, G. (1982). *Structure of Assamese.* Guwahati: Gauhati University.



৩.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ভাষাৰ ক্ষুদ্ৰতম অৰ্থবহ গোটটোকে ৰূপ বুলি কোৱা হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰত্যয়বোৰ মূলৰূপ (মুক্তৰূপ)ৰ আগতো বহিব পাৰে, পাছতো বহিব পাৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়াত শব্দ বিভক্তি ছটা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ যিবোৰ বিভক্তিৰ দ্বাৰা সম্বন্ধবাচক শব্দৰ পুৰুষৰ বোধ জন্মে সেইবোৰেই পুৰুষবাচক সম্বন্ধবাচক বিভক্তি।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাত ক্ৰিয়াৰ ভাব দুটা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ নকৰে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ কোনো প্ৰাণী, বস্তু আৰু বিষয়ক নিৰ্দিষ্টকৈ বুজাবলৈ নামশব্দৰ পিছত যিবোৰ প্ৰত্যয় যোগ দিয়া হয় তাকে নিৰ্দিষ্টতাবাচক প্ৰত্যয় বোলে।



৩.৯ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ চমু উত্তৰ দিয়ক —

ক) ৰূপ কি?

খ) বিভক্তি আৰু প্ৰত্যয়ৰ পাৰ্থক্য কি?

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ প্ৰত্যয় কেই প্ৰকাৰৰ আৰু কি কি? উদাহৰণ দিয়ক।

প্ৰশ্ন ২ ঃ অসমীয়াত বচন কেইটা? বচন কেনেকৈ নিৰ্ণয় কৰা হয়?

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া ভাষাৰ শব্দ বিভক্তিসমূহৰ তালিকা প্ৰস্তুত কৰক। এই বিভক্তিবোৰৰ কাম কি বিচাৰ কৰক।

প্ৰশ্ন ২ ঃ অসমীয়া ভাষাৰ প্ৰত্যয়ৰ শ্ৰেণীবিভাজন কৰি উদাহৰণসহ কৃৎ প্ৰত্যয়, তদ্ধিত প্ৰত্যয় আৰু নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ বিষয়ে আলোচনা কৰক।

*** ***** ***